জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

। ৯৯ সংখ্যা, ২৭ কাতি, শুকুৰবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 99। DIBRUGARH, FRIDAY, NOVEMBER 14, 2025 । পৃষ্ঠা ১৬ (Pages 1

্যমণ্ডিত পক্ষী উদ্যান চৰাইচুঙত এতিয়া
দুষ্কৃতিকাৰীয়ে পক্ষীনিধন যজ্ঞ চলোৱা বুলি
ৰ অভিযোগ পোৱা গৈছে। শ্ৰীৰাম গাঁও
ত আৰু ৰতনপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত
০০ বিঘা মাটিৰে আগুৰা চৰাইচুঙলৈ এতিয়া
মী চৰাইৰ আৰিৰ্ভাৱ হৈছে। বনৰীয়া হাঁহ,
ৰ সংখ্যা বৃদ্ধি পাইছে। অক্টোবৰ মাহৰ পৰা
মাহপৰ্যন্ত বিভিন্ন বিদেশী পক্ষীৰ বিচৰণ
হৈ পৰা চৰাইচুঙত এতিয়া একাংশ
কাৰীয়ে জাল, ফান্দ পাতি অবাধ গতিত চৰাই
ৰা বুলি খবৰ পোৱা গৈছে। অসম চৰকাৰৰ
ন বিভাগে চৰাইচুঙত এটি পক্ষী নিৰীক্ষণ
স্থাপনৰ বাবে আঁচনি ২০১৭ চনতেই যুগুত
ছিল যদিও তাৰো আজিপৰ্যন্ত কোনো ব্যৱস্থা
লে, ফাইলতেই আবদ্ধ চৰকাৰী পক্ষী নিৰীক্ষণ
ৰ আঁচনি। এতিয়া এই স্থানত অবাধ গতিত
নিধনযজ্ঞ চলি থকাক লৈ প্ৰকৃতিপ্ৰেমীসকল
ত হৈ পৰাৰ লগতে চৰাইচুঙৰ ওপৰত ৰাইজক
নজৰ ৰাখিবলৈ আহ্বান জনাইছে।

## মৰাণত মইনা পাৰিজাতৰ শিশু সমাৰোহৰ

### ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ মৈত্ৰীবন্ধন সমিতিৰ কাৰ্যসূচী

## ৯ ৰাজ্যৰ প্ৰতিনিধিৰে সাংস্কৃতিক বিনিময়

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৩ নৱেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা কাৰ্যালয়ৰ উদ্যোগত অসম সাহিত্য সভাৰ অধীনৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি আৰু পাঞ্চজন্যৰ সহযোগত কাইলৈ বিয়লি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'ব এখন সুন্দৰ, মননশীল গ্ৰন্থ উন্মোচনী সভা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যাপক ডঃ সুৰজিৎ বৰকটকী আৰু মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ডঃ শশীকান্ত শইকীয়াই জনোৱা মতে লেখক, কবি, নাট্যকৰ্মী, চলচ্চিত্ৰ সমালোচক মনোজ বৰপূজাৰীৰ নিৰ্বাচিত কবিতাৰ কোৰিয়ান অনুবাদ 'Riparian Silence' এই অনুষ্ঠানত উন্মোচন কৰা হয়। কোৰিয়ান ভাষালৈ কবিতা পুথিখন অনুবাদ কৰিছে দক্ষিণ কোৰিয়াৰ প্ৰখ্যাত চলচ্চিত্ৰ, কলা সমালোচক, লেখক, কবি, অনুবাদক চিয়ক ইয়ং চাঙে। এই গ্ৰন্থখন বিশিষ্ট কোৰিয়ান লেখকগৰাকীৰ উপস্থিতিত উন্মোচন কৰা হ'ব। আনহাতে অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি, কানৈ মহাবিদ্যালয় শতদল শাখা সাহিত্য সভা, স্বেচ্ছাসেৱী সংগঠন 'চীল'ৰ যৌথ উদ্যোগত কাইলৈ সন্ধিয়া কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব এক সুন্দৰ আৰু মননশীল অনুষ্ঠান। মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, লেখক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই জনোৱা মতে কাইলৈ বিয়লি দেশৰ ৯খন ৰাজ্যৰ প্ৰতিনিধিৰ উপস্থিতিত এক সাংস্কৃতিক, শৈক্ষিক বিনিময় কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীত পশ্চিম মহাৰাষ্ট্ৰ, চত্তিশগড়, কাশী, উত্তৰ বিহাৰ, তেলেংগানা, উত্তৰ কৰ্ণাটক আৰু হিমাচল প্ৰদেশ আদিৰ ৯গৰাকী প্ৰতিনিধি উপস্থিত থাকিব। কানৈ মহবিদ্যালয় চৌহদৰ বাকৰিত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত অসমৰ সংস্কৃতি পৰিৱেশন কৰাৰ লগতে ৯খন ৰাজ্যৰপৰা অহা প্ৰতিনিধিসকলে অসমৰ ভাষা-সংস্কৃতি, শিক্ষাৰ বুজ লৈ সাংস্কৃতিক আৰু শৈক্ষিক কাৰ্যসূচীত ভাগ ল'ব। এই যুৱক-যুৱতীসকলক অসমৰ ভাষা-সংস্কৃতি, জনগোষ্ঠী সম্পৰ্কেও কিছু ধাৰণা দিয়াৰ ব্যৱস্থা কৰা হৈছে।



বহুবছৰ ধৰি থিতাপি
হোৱাৰ অভিযোগ
সন্দেহজনক পৰিয়া
বিনষ্ট হোৱাৰ অভি
যাবলৈ হুংকাৰ দি
প্ৰতিবাদ সাব্যস্ত ক
আমাৰ মাটি আম
প্ৰব্ৰজনকাৰীৰ কুকম
হাতে প্লে-কাৰ্ড লৈ
হুংকাৰ দিয়ে। উল্লে
দীৰ্ঘবছৰ ধৰি খিলঞ্জ
আন সম্প্ৰদায়ৰ সৈ
আহিছে। হিন্দু-মুছ

## দহ দিনত ৪৫ লা

